পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 449 দিশপুৰ, শুক্ৰবাৰ, 20 জুন, 2025, 30 জেঠ, 1947 (শক)

No. 449 Dispur, Friday, 20th June, 2025, 30th Jaistha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 20th June, 2025

**No. LGL.22/2025/11.–** The following Act of the Assam Legislative Assembly which received the assent of the Governor of Assam on 16th June, 2025 is hereby published for general information.

## ASSAM ACT NO. XXX OF 2025

**(Received the assent of the Hon'ble Governor of Assam on 16th June, 2025)**

## THE ASSAM PRIVATE UNIVERSITIES (AMENDMENT) ACT, 2025

# AN
# ACT

further to amend the Assam Private Universities Act, 2007.

Preamble

Whereas, it is expedient further to amend the Assam Private Universities Act, 2007, hereinafter called the principal Act, in the manner hereinafter appearing; Assam Act No. XII of 2007

It is hereby enacted in the Seventy-sixth Year of the Republic of India as follows:–

Short title, extent and commencement

1. (1) This Act may be called the Assam Private Universities (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 4

2. In the principal Act, in section 4, in sub-section (4), after clause (c), the following new clause shall be inserted, namely :-

"(d) security clearance report in respect of the antecedents or precedents of the Sponsoring Body from the Home and Political Department, Government of Assam."

Insertion of section 10A

3. In the principal Act, after section 10, the following new section 10A shall be inserted,

"Restrictions on the University

10A. (1) The University shall not involve in any activity relating to conversion of any of students, faculties and other staff. The University shall maintain a secular character;

(2) The University shall not open any new technical, medical, para-medical, nursing and other technical courses related to agriculture, veterinary, dairy and other allied subjects with effect from 01/04/2025."

Amendment of section 44

4. In the principal Act, in section 44, after sub-section (3), the following new sub-section shall be inserted, namely :-

"(4) There shall be an inspection of the University by the State Government once in every three years to verify whether the conditions imposed during the establishment of the University have been complied to and any deviation in compliance of the conditions by the concerned University may lead to dissolution of the University."

**GEETANJALI DAS SAIKIA,**

Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৫ চনৰ অসম অধিনিয়ম নং ৩০

## (২০২৫ চনৰ ১৬ জুন তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম ব্যক্তিগত বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫

## অধিনিয়ম

**২০ জুন, ২০২৫**

অসম ব্যক্তিগত বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ ক পৰৱৰ্তী সংশোধন কৰিবলৈ এখন অধিনিয়ম।

প্ৰস্তাৱনা — যিহেতু, অসম ব্যক্তিগত বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত ; (২০০৭ চনৰ অসম অধিনিয়ম নং XII।)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে :-

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম ব্যক্তিগত বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

ধাৰা ৪ ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ৪ ত, উপ-ধাৰা (৪) ত, খণ্ড (গ) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড অন্তঃস্থাপিত হ'ব, যথা :-

"(ঘ) অসম চৰকাৰৰ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ পৰা পৃষ্ঠপোষক মণ্ডলীৰ পূৰ্বৱৰ্তিতা বা পূৰ্বদৃষ্টান্ত সন্দৰ্ভত নিৰাপত্তা অনুমতি প্ৰতিবেদন।"

ধাৰা ১০ক ৰ স্থাপন — ৩। মূল অধিনিয়মত, ধাৰা ১০ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা ১০ক স্থাপন হ'ব,

"বিশ্ববিদ্যালয়ৰ ওপৰত বাধা-নিষেধ — ১০ক। (১) বিশ্ববিদ্যালয় কোনো শিক্ষাৰ্থী, অধ্যাপক আৰু অন্যান্য কৰ্মচাৰীবৰ্গৰ ধৰ্মান্তৰকৰণ সম্পৰ্কীয় কোনো কাৰ্যকলাপত জড়িত নহ'ব। বিশ্ববিদ্যালয়খনে এক ধৰ্মনিৰপেক্ষ চৰিত্ৰ অক্ষুণ্ণ ৰাখিব ;

(২) বিশ্ববিদ্যালখনে ০১/০৪/২০২৫ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ কৃষি, পশুচিকিৎসা, দুগ্ধ আৰু অন্যান্য সংযুক্ত বিষয়সমূহৰ সৈতে সম্পৰ্কিত কোনো নতুন প্ৰযুক্তি, চিকিৎসা, পেৰা-মেডিকেল, নাৰ্চিং আৰু অন্যান্য প্ৰযুক্তিগত পাঠ্যক্ৰমসমূহ আৰম্ভ নকৰিব।"

ধাৰা ৪৪ ৰ সংশোধন — ৪। মূল অধিনিয়মত, ধাৰা ৪৪ ত, উপ-ধাৰা (৩) ৰ পিছত, নিম্নলিখিত নতুন উপ-ধাৰা অন্তঃস্থাপিত হ'ব, যথা :-

"(৪) বিশ্ববিদ্যালয়খন স্থাপনৰ সময়ত আৰোপ কৰা চৰ্ত্তাৱলী পালন কৰা হৈছে নে নাই সেয়া পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰতি তিনি বছৰত এবাৰ বিশ্ববিদ্যালয়খন পৰিদৰ্শন কৰিব আৰু সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ দ্বাৰা এই চৰ্ত্তাৱলীৰ পালনত যিকোনো বিচ্যুতি বিশ্ববিদ্যালয়খনৰ ভংগৰ কাৰণ হ'ব পাৰে।"

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ,
বিধান বিভাগ, দিছপুৰ, গুৱাহাটী-৬

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 897 - 100 + 10 - 20 - 06 - 2025. (visit at– dpns.assam.gov.in)